# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 01-11-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান অব্যাহত।

২। সমগ্ৰ দেশৰ লগতে অসমতো পোহৰৰ উৎসৱ দীপাৱলী উদযাপন।

৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত হাতী ছাফাৰী মুকলিৰ প্ৰথম দিনটোত বেলজিয়াম, আমেৰিকা, ইংলেণ্ডৰ পৰ্যটকৰ পৰিভ্ৰমণ।

*আৰু*

৪। ভাৰতৰ বিৰুদ্ধে মুম্বাইত অনুষ্ঠিত শৃংখলাৰ তৃতীয় তথা অন্তিম টেষ্টত নিউজিলেণ্ডৰ প্ৰথম ইনিংছ ২৩৫ ৰাণত সমাপ্ত। দিনটোৰ সামৰণিত ভাৰতৰ চাৰি উইকেটত ৮৬ ৰাণ সংগ্ৰহ।

০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিশেষকৈ শাসকীয় বিজেপি, বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে বিহালী বিধানসভা সমষ্টিত আজি বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। চামগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাছাৰৰ ধলাই বিধানসভা সমষ্টিৰ লগতে চিৰাঙৰ ছিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইপিনে, বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। বঙাইগাঁও সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা তেজছ ত্ৰিপাঠী-

-ভইচ কাষ্ট-

০০০

দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো পোহৰৰ উৎসৱ দীপাৱলী কালিৰে পৰা পালন কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীপাৱলী আৰু কালী পূজা উপলক্ষে আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে  তিনিচুকীয়াৰ নিউ মাৰ্কেট কালী পূজাস্থলীত উপস্থিত হৈ দেৱীৰ আশীষ গ্ৰহণ কৰে। ইপিনে, দীপাৱলী উপলক্ষে গুৱাহাটী মহানগৰী আলোকময় হৈ উঠিছে। মাটিৰ চাকিৰ পোহৰৰ সমান্তৰালভাৱে ৰং-বিৰঙী আলোকসজ্জাৰে মহানগৰীৰ প্ৰতিটো প্ৰান্ত জিলিকি উঠিছে। আজিৰ দিনটোত আৰক্ষী প্ৰশাসনে নিৰ্দ্ধাৰণ কৰি দিয়া স্থানসমূহত আতচবাজি ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। আনহাতে, চিৰাঙৰ পানবাৰীত ৯-দিনীয়া কাৰ্যসূচীৰে কালী পূজা পালন কৰা হৈছে। আজি জিলাখনৰ ছিদলী

বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এন ডি এ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থী প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে পানবাৰীৰ কালী মন্দিৰত দেৱীৰ আশীষ গ্ৰহণ কৰে।

০০০

অসম চৰকাৰৰ অধীনস্থ কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত অহা ৬ আৰু ৮ নৱেম্বৰত বিশেষ নৈমিত্তিক ছুটি লাভ কৰিব। এই বিশেষ ছুটিত কৰ্মচাৰীসকলে ৭ নৱেম্বৰ-ষট পূজা, ৯ নৱেম্বৰ-মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰকো সামৰি নিজৰ পিতৃ-মাতৃ তথা শাহু-শহুৰকো সেৱা শুশ্ৰূষা আগবঢ়াব পাৰিব। ইয়াৰ ওপৰিঞ্চিভাৱে শিক্ষা বিভাগৰ অধীনস্থ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে ৯ নৱেম্বৰত পিতৃ-মাতৃ বন্দনা যোজনাৰ আওতাত বিশেষ ছুটি প্ৰদান কৰা হৈছে।

০০০

কাৰ্বি সম্প্ৰদায়ৰ ধৰ্মীয় অনুষ্ঠান ৰংকেৰ কাৰ্কলী বা ৰংকেৰ পূজাৰ দিনটোত প্ৰতি বছৰে ৫ জানুৱাৰীত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে সীমিত বন্ধৰ দিন ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে ৰাজ্যপালৰ অনুমোদন মৰ্মে এখন অধিসূচনা জাৰি কৰিছে। ইফালে গাৰো সম্প্ৰদায়ৰ উৎসৱ ৱাং আলা উপলক্ষে ৭ নৱেম্বৰতো ৰাজ্যৰ কৰ্মচাৰীসকলে সীমিত বন্ধৰ সুবিধা লাভ কৰিব।

০০০

অহা বছৰৰ মে' মাহৰ ভিতৰত ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকত বিদ্যালয়ত পুনৰ ৯ হাজাৰ নতুন শিক্ষক নিযুক্তি দিয়া হ'ব। ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই কথা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে, ইতিমধ্যে এই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তেওঁ লগতে ৰাজ্যত প্ৰথম বাৰৰ বাবে সুকীয়াকৈ গণিত বিষয়ৰ শিক্ষক নিযুক্তি নিয়াৰ কথাও ঘোষণা কৰে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী পেগুৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে অনুমোদন জনোৱা বুলি উল্লেখ কৰি সম্পূৰ্ণ মেধাৰ ভিত্তিত এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব বুলি কয়।

০০০

খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ জনমুখী প্ৰয়াস অন্ন সেৱা দিন এই মাহৰ বাবে আজিৰ পৰা ১০ নৱেম্বৰলৈ ঘোষণা কৰা হৈছে। ৰাজ্যৰ মুঠ ৬৭ লাখ ২ হাজাৰ ৫৪টা পৰিয়ালৰ ২ কোটি ৩০ লাখৰো অধিক হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰিব পাৰিব। আনহাতে, সুলভ মূল্যৰ দোকানীসকলক অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ চলোৱা আৰু নিৰ্ধাৰিত দিনকেইটাত দোকান খোলা ৰাখি হিতাধিকাৰীসকলক প্ৰাপ্য চাউল বিতৰণ নিশ্চিত কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০

ৰে'লৰ টিকটৰ আগতীয়া সংৰক্ষণৰ ক্ষেত্ৰত ৰে'ল বিভাগে নতুনকৈ প্ৰৱৰ্তন কৰা নিয়ম আজিৰে পৰা কাৰ্যকৰী হৈছে। এই নতুন ব্যৱস্থা অনুসৰি আগতীয়া আসন সংৰক্ষণৰ সময়সীমা পূৰ্বৰ ১২০ দিনৰ পৰিৱৰ্তে ৬০ দিনলৈ হ্ৰাস কৰা হৈছে। অৱশ্যে যাত্ৰীসকলে ৩১ অক্টোবৰ অৰ্থাৎ কালিলৈকে কৰা সংৰক্ষণৰ ক্ষেত্ৰত কোনোধৰণৰ পৰিৱৰ্তন নহয়।

ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আসন সংৰক্ষণৰ সময়সীমা ৬০ দিনলৈ হ্ৰাস কৰাৰ ফলস্বৰূপে টিকটৰ চোৰাং মজুতকৰণৰ সম্ভাৱনা হ্ৰাস পোৱাৰ লগতে প্ৰকৃত যাত্ৰীসকলে সুবিধা লাভ কৰাটো নিশ্চিত হ'ব।

মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰা তথ্য অনুসৰি যাত্ৰাৰ তাৰিখৰ ৬১ দিনৰ পৰা ১২০ দিন পূৰ্বে যাত্ৰীসকলে সংৰক্ষণ কৰা টিকটৰ প্ৰায় ২১ শতাংশ টিকট সাধাৰণতে বাতিল কৰা হয়।

০০০

সমগ্ৰ দেশৰ লগতে অসমতো আজিৰে পৰা ২১ সংখ্যক ৰাষ্ট্ৰীয় পশুধন পিয়ল আৰম্ভ হৈছে। ইয়াৰ অংশ হিচাপে আজি গোলাঘাটৰ বোকাখাত সমজিলাৰ কুৰুৱাবাহী পঞ্চায়তৰ নগয়া পামত আয়োজিত উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা উপস্থিত থাকে। আজিৰ উদ্বোধনী অনুষ্ঠানত ডিজিটেল এপৰ জৰিয়তে কিছুসংখ্যক পশুপালকৰ তথ্য পঞ্জীভুক্ত কৰা হয়। উল্লেখযোগ্য যে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে পশুপালকসকলৰ ঘৰে ঘৰে গৈ ডিজিটেল এপৰ জৰিয়তে পশুধন পিয়লৰ কাম সম্পূৰ্ণ কৰাৰ অভিযান আৰম্ভ কৰিছে।

০০০

ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ৩ নৱেম্বৰৰ দিনা পুৱা ১০ বজাত **লুইতৰ পৰা মিছিচিপিলৈ** শীৰ্ষক অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে এই প্ৰতিযোগিতা আয়োজন কৰিছে। ইপিনে, একেদিনাই বিয়লি ২ বজাৰ পৰা বীৰেন্দ্ৰ নাথ দত্ত বিষয়ক **সাতোখন সুৰীয়া নৈ** শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত ইনলি ফাউণ্ডেচনে এই প্ৰতিযোগিতাখন আয়োজন কৰিছে। ৩ নৱেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত দুয়োখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ, অভিনেতা, নাট্যকাৰ তথা পৰিচালক প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি কাইলৈ কিতাপৰ দিন উদ্‌যাপন কৰা হ'ব। গুৱাহাটীৰ উজানবজাৰত থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সন্ধিয়া ৬ বজাত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত সাংবাদিক নিত্য বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত লক্ষ্যধৰ চৌধুৰী ৰচিত মোৰ অভিনেতা জীৱনৰ কাহিনী আৰু ভগৱান শ্ৰীকৃষ্ণ আৰু অনুৰাধা দাস ৰচিত জীৱনৰ বাটে ঘাটে শীৰ্ষ গ্ৰন্থকেইখন উন্মোচন কৰা হব।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই কঁহৰা বনাঞ্চলৰ মিহিমুখত ফিটা কাটি আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। পৰম্পৰাগত হস্তী পূজাৰে ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী ছাফাৰী মুকলি কৰা হয়। বাগৰি বনাঞ্চলতো আজিৰে পৰা ব্যক্তিগত

হাতী ছাফাৰী আৰম্ভ হৈছে। হাতী ছাফাৰী মুকলি হোৱাৰ প্ৰথম দিনটোতে কঁহৰা বনাঞ্চলৰ ১০টা হাতীত বেলজিয়াম, আমেৰিকা, ইংলেণ্ডৰ পৰ্যটককে ধৰি দেশী-বিদেশী মুঠ ৩০ গৰাকী পৰ্যটক হাতী ছাফাৰী কৰে। উল্লেখযোগ্য যে, বন বিভাগে যোৱা ১ অক্টোবৰত ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী মুকলি কৰিছিল। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে, অক্টোবৰ মাহত ২৮ হাজাৰ ৯৮০ গৰাকী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী কৰে। ইয়াৰে ভাৰতীয় পৰ্যটক ২৮ হাজাৰ ৪০১ গৰাকী আৰু বিদেশী পৰ্যটকৰ সংখ্যা হৈছে ৫৭৯ গৰাকী। হাতী চাফাৰী মুকলি কৰা সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ-

ভইচ কাষ্ট

ইপিনে, ২০২৪-২৫ বৰ্ষৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প যোৱা ৩০ অক্টোবৰত দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিয়ে।

০০০

অসম আৰক্ষীৰ এটা দলে কৰিমগঞ্জৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ওচৰত দুজন বাংলাদেশী নাগৰিকক আটক কৰে। পৰৱৰ্ত্তী সময়ত দুয়োজন লোকক সীমান্তৰ সিপাৰে পঠিয়াই দিয়া হৈছে। অসম আৰক্ষীয়ে অনুপ্ৰবেশ ৰোধৰ ক্ষেত্ৰত চলাই অহা নিৰন্তৰ প্ৰয়াসক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শলাগ লয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

কামৰূপ জিলাৰ হাজো অঞ্চলৰ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠান কাইলৈ দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। মহাৰজত জয়ন্তী উপলক্ষে কাইলৈ পুৱাৰ ভাগত অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে পতাকা উত্তোলন কৰিব। অভিনেতা চম্পক শৰ্মাই বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব। অনুষ্ঠানৰ মূল সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত মুখ্য অতিথি আৰু কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ৫ ৰ পৰা ১১ নৱেম্বৰলৈ ডুলিয়াজানৰ বিহুতলীত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অসমৰ ভালেমান আগশাৰীৰ প্ৰকাশন গোষ্ঠীৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। পৰিষদে জনোৱা অনুসৰি গ্ৰন্থমেলাৰ বাকৰিত ভিন ভিন সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীও গ্ৰহণ কৰা হ'ব।

০০০

অসম ভাৰোত্তোলন সন্থাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা নতুন প্ৰতিভা চিনাক্ত কৰাৰ বাবে অভিলাষী আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে শিৱসাগৰ জিলাৰ ভাৰোত্তোলন সন্থাৰ সহযোগত অহা ১৫ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰত নামতিত নতুন প্ৰতিভা বাছনি শিবিৰ অনুষ্ঠিত হ'ব। উত্তৰ প্ৰদেশৰ শ্ৰীৰাম স্পোৰ্টছ একাডেমীয়ে

সহযোগিতা কৰিবলগীয়া এই শিবিৰত টকিঅ' অলিম্পিকত ৰূপৰ পদক জয়ী মীৰাবাঈ চানু উপস্থিত থাকিব। শিবিৰলৈ ৮ বছৰৰ পৰা ১৩ বছৰ বয়সৰ ল'ৰা-ছোৱালীক প্ৰেৰণ কৰিবলৈ সকলো জিলা সন্থাকে ৰাজ্যিক সন্থাৰ সভাপতি ভৰজ্যোতি গোস্বামীয়ে আহ্বান জনাইছে।

০০০

অসম পেৰালিম্পিক সন্থাই সদ্যসমাপ্ত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত পদক জয়ী খেলুৱৈসকলক আজি খানাপাৰাত আয়োজিত এটা অনুষ্ঠানত সম্বৰ্দ্ধনা জনায়। গোৱাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত দুটা সোণ জয় কৰা কৃষ্ণা দাস, এটা সোণ লাভ কৰা সূৰ্য শইকীয়াক আজি সম্বৰ্দ্ধনা জনোৱা হয়। আনহাতে, তিনিটা ৰূপ জয়ী য়েছমিন খাতুন তথা এটাকৈ ব্ৰঞ্জ জয় কৰা ছাজিদা বেগম আৰু প্ৰীতি দাসকো অসম পেৰালিম্পিক সন্থাই সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত সন্থাৰ সভাপতি চন্দন বৰুৱা, সম্পাদক ৰাজীৱ দে, উপ-সভাপতি দোৰথি ছুচিয়াং, অসম পেট্ৰ' কেমিকেলছ্ লিমিটেডৰ সঞ্চালক জিতু তালুকদাৰ আৰু ইউকো বেংকৰ মাণ্ডলিক কাৰ্যালয়ত মুখ্য প্ৰৱন্ধক কুকিলা বৰকটকীও উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অসমে তিনিটা সোণসহ মুঠ আঠটা পদক লাভ কৰিছে।

০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আজিৰে পৰা অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম টেষ্টত ভাৰতীয় দলটো প্ৰাৰম্ভিক বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছে। টছত জিকি প্ৰথমে বেটিং কৰি নিউজিলেণ্ডৰ প্ৰথম ইনিংছ ২৩৫ ৰাণত সমাপ্ত হোৱাৰ পাছত প্ৰথম দিনৰ খেলৰ সামৰণিত ভাৰতে চাৰিটা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ৮৬ ৰাণ কৰিছে। যশস্বী জয়ছৱালে ৩০, ৰোহিত শৰ্মাই ১৮ আৰু বিৰাট কোহলীয়ে ৪ ৰাণ কৰি আউট হোৱাৰ পাছত শুভমন গিলে ৩১ আৰু ঋষভ পন্তে ১ ৰাণ কৰি খেলি আছে। আগতীয়াকৈ বেট ধৰিবলৈ অহা বেগী বলাৰ মহম্মদ চিৰাজ প্ৰথম বলতে আউট হয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ ইনিংছত ডেৰিল মিচেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে।

০০০

ৰাজ্যত অহা ১৩ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে এতিয়ালৈকে ৫৩ লাখতকৈও অধিক পঞ্জীয়ন সম্পন্ন হৈছে। এইবাৰৰ খেল মহাৰণ প্ৰতিযোগিতা এথলেটিকছ্, ফুটবল, ভলীবল, দবা, সাঁতোৰ, কাবাডী আৰু চাইক্লিং এই ৭টা শাখাত অনুষ্ঠিত হ'ব। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে পুৰুষৰ সমানে মহিলাসকলেও নিজৰ নাম পঞ্জীয়নভুক্ত কৰিছে।

০০০

সমাপ্ত